■ RNP/GH/075/2021-2023 ■ REGN. NO. 53902/95
■ Vol. 28 ■ No. 347; WEDNESDAY
■ e-paper : www.asomiyapratidin.in

অসমীয়া প্ৰতিদিন

২৮ শ বছৰ ■ সংখ্যা ৩৪৭ ■

৯ ফাগুন, ১৯৪৪ শক ■ বুধবাৰ, ২২ ফেব্ৰুৱাৰী



## ৱেষ্ট গুৱাহাটী কলেজ অব্ এডুকেচনৰ উদ্যোগ

# আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন

প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ২১ ফেব্ৰুৱাৰী : পাণ্ডুৰ ৱেষ্ট গুৱাহাটী কলেজ অব্ এডুকেচনৰ উদ্যোগত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ লগত সংগতি ৰাখি এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বক্তৃতা প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক বিভাষ চৌধুৰীয়ে। বক্তাজনে মাতৃভাষা ব্যৱহাৰত গুৰুত্ব প্ৰদান কৰে। তেওঁ ছাত্ৰ, শিক্ষক-শিক্ষয়িত্ৰীসকলক ভাষাৰ অতন্দ্ৰ প্ৰহৰী হৈ থকাৰ বাবে আহ্বান জনায়। ভাষাক প্ৰতিগৰাকী ব্যক্তিয়ে কিদৰে, ক'ত ব্যৱহাৰ কৰে তাৰ প্ৰতি সজাগ হৈ থাকিব লাগে বুলি ড° চৌধুৰীয়ে ভাষণত উল্লেখ কৰে। ড° চৌধুৰীয়ে লগতে কয়— 'ভৱিষ্যতৰ প্ৰজন্মই ভাষাৰ ইতিহাস, পৰম্পৰা আৰু যাত্ৰাৰ বিষয়ে অধ্যয়ন কৰিব লাগিব। ভাষাৰ ভেটি হ'ল আমাৰ সংস্কৃতি, যিয়েই ভাষাটোক চহকী কৰি তোলে। পৰ্যায়ক্ৰমে ভাষাৰ যাত্ৰাৰ আৱৰ্তনি হয়। নতুন নতুন শব্দ ভাষাত ব্যৱহাৰ হয়। জীৱনৰ শৈলীৰ পৰিবৰ্তনৰ বাবে আমাৰ ভাষাৰ পৰিবৰ্তন হয়। অৱশ্যে আমি কেনেদৰে ভাষাটো লালন-পালন কৰো, তাৰ ওপৰত ভাষাটো নিৰ্ভৰ কৰে। সেয়েহে দায়িত্ব সহকাৰে আমি প্ৰতিজনে ভাষাটো ব্যৱহাৰ কৰিব লাগে, আনহাতে ভাষাটো লিপিবদ্ধ ৰূপত ৰখাটো আমাৰ এক কৰ্তব্য যাতে ন ন প্ৰযুক্তিৰ মাজেদি নিজৰ ভাষাটো নোহোৱা হৈ নাযায়।'

International Mother Language Day
Celebrated on 21st February, 2023